আল্লাহে সেই ব্যক্তিক চিৰ উজ্জল কৰি ৰাখক, যিয়ে মোৰ পৰা কোনো বিষয় শুনে, আৰু সেইটো সেইদৰেই বেলেগক বৰ্ণনা কৰে যিদৰে তেওঁ শুনিছে। কিয়নো যিসকলক পৌঁচাই দিয়া হ'ব তেওঁলোকৰ মাজৰ কিছুমান লোক এনেকুৱা আছে, যিয়ে শ্ৰৱণকাৰীতকৈও অধিক ভালকৈ মুখস্থ ৰাখিব পাৰে।

আব্দুল্লাহ ইবনে মাছ‘ঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, তেওঁ কৈছে, মই
ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছে: "আল্লাহে
সেই ব্যক্তিক চিৰ উজ্জল কৰি ৰাখক, যিয়ে মোৰ পৰা কোনো বিষয় শুনে, আৰু সেইটো
সেইদৰেই বেলেগক বৰ্ণনা কৰে যিদৰে তেওঁ শুনিছে। কিয়নো যিসকলক পৌঁচাই দিয়া হ'ব তেওঁলোকৰ মাজৰ কিছুমান লোক এনেকুৱা আছে, যিয়ে শ্ৰৱণকাৰীতকৈও অধিক ভালকৈ মুখস্থ ৰাখিব পাৰে।"
[ছহীহ] [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুআ কৰিছে, সেই ব্যক্তিৰ মুখমণ্ডল আল্লাহে উজ্জল, জ্যোতিৰ্ময় কৰি ৰাখক, তথা পাৰ্থিৱ জীৱনত সতেজ কৰি ৰাখক, লগতে আল্লাহে তেওঁক জান্নাতৰ উজ্জলতা আৰু ইয়াৰ নিয়ামত দান কৰক আৰু আখিৰাততো উজ্জল কৰি ৰাখক, যিয়ে তেখেতৰ পৰা হাদীছ শ্ৰৱণ কৰে আৰু ভালকৈ মুখস্থ কৰি ৰাখে, যাতে বেলেগক পৌঁচাই দিব পাৰে। কিয়নো কেতিয়াবা যাক হাদীছ পৌঁচাই দিয়া হয়, তেওঁ হাদীছ শ্ৰৱণকাৰীতকৈও অধিক উত্তমৰূপে হাদীছৰ মূল তত্ব বুজিব পাৰে। এতেকে প্ৰথমজনে মুখস্থ ৰখা আৰু পৌঁচাই দিয়াত উত্তম আৰু দ্বিতীয়জন হৈছে বোধশক্তি আৰু মূল তত্ব আহৰণত উত্তম।

http://sunnah.global/hadeeth/as/show/6820